# Visit of Minister of State for External Affairs and Parliamentary Affairs to Oman (December 16-17, 2020)

December 15, 2020

# বিদেশ বিষয়ক আৰু সাংসদ বিষয়ক ৰাজ্যিক মন্ত্ৰীৰ ওমান ভ্ৰমণ (ডিচেম্বৰ 16-17, 2020)

ডিচেম্বৰ 15, 2020

বিদেশ বিষয়ক আৰু সাংসদ বিষয়ক ৰাজ্যিক মন্ত্ৰী, শ্ৰী ভি মূৰলীধৰণে ওমানলৈ এক চৰকাৰী ভ্ৰমণত যাব ডিচেম্বৰ 16-17, 2020 তাৰিখে। ৰাজ্যিক মন্ত্ৰী হিচাপে এয়া তেওঁৰ প্ৰথম ভ্ৰমণ দেশখনলৈ। এই ভ্ৰমণকালত তেওঁ ওমানৰ বিদেশ মন্ত্ৰী, শ্ৰম মন্ত্ৰী আৰু আন মন্ত্ৰীসকলৰ সৈতে সাক্ষাৎ কৰিব। তেখেতে ভাৰতীয় সম্প্ৰদায়ৰ আৰু নতুনকৈ গঠন হোৱা ওমান-ভাৰত বন্ধুত্ব পৰিষদৰ এক বহল অংশৰ সৈতে সংযোগ কৰিব। ৰজ্যিক মন্ত্ৰীজনে ভাৰতীয় সামাজিক সংঘ, সমাজ সেৱক, চিকিৎসা আৰু শিক্ষা কৰ্মী আৰু যোগাসন সংগঠনৰ প্ৰতিনিধিসকলকো লগ কৰিব।

নিজৰ ভ্ৰমণকালত ৰাজ্যিক মন্ত্ৰীজনে বিভিন্ন দ্বিপক্ষীয় আৰু পাৰস্পৰিক ৰুচিৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ ওপৰত আলোচনা কৰিব। তেওঁ বিষেয়কৈ মনোযোগ দিব ভাৰতীয় সম্প্ৰদায়ৰ সম্বন্ধীয় সমস্যাবোৰৰ ওপৰত। ওমানত প্ৰায় 600,000 ভাৰতীয় আছে। দুয়োখন দেশে ঘনিষ্ঠভাৱে কাম কৰিছিল কোভিড-19 মহামাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈ আৰু বন্দে ভাৰত অভিযানৰ অন্তৰ্গত ওমানৰ পৰা ভাৰতীয়সকলক এক সুবিধাজনক ভাৱে অনাৰ বাবে। ভাৰতেও নিশ্চিত কৰিছিল যাতে ওমানলৈ খাদ্য আৰু আন প্ৰয়োজনীয় সামগ্ৰীৰ যোগান চক্ৰ ভালদৰে কাৰ্য কৰে আৰু স্বাস্থ্য কৰ্মীসকলৰ ওমানলৈ উভতি যোৱাত সহায় কৰিছিল। দুয়োখন দেশৰ মাজত এক এয়াৰ বাবোল ব্যৱস্থাত ফ্লাইট কাৰ্যকৰি হৈছে। ওমান শেহতীয়াকৈ ঘোষণা কৰিছে যে দহ দিনলৈ ওমানলৈ অহা ভাৰতীয়সকলৰ বাবে ভিজাৰ প্ৰয়োজন নাই।

ভাৰত আৰু ওমান ভূগোল, ইতিসাহ আৰু সংস্কৃতিৰে সংযুক্ত আৰু দুয়োখন দেশৰ মাজৰ উমাল আৰু নম্ৰ সম্পৰ্ক আছে। দুয়োখন দেশৰ মাজত এক কৌশলগত আংশীদাৰীত্ব আছে আৰু কোভিড-19 মহামাৰীৰ সময়ত ঘনিষ্ঠ উচ্চ-স্তৰৰ সংযোগ ৰক্ষা কৰিছিল।

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে এপ্ৰিল 2020ত ওমানৰ চুলতান মহামান্য চুলতান হাইথাম বিন টাৰিকৰ সৈতে ফোন যোগে কথা পাতিছিল। বিদেশ বিষয়ক মন্ত্ৰীয়ে ওমানৰ বিদেশ মন্ত্ৰীৰ সৈতে ডিচেম্বৰ 2, 2020 তাৰিখে এক ভাৰচ্যুৱেল বৈঠক কৰিছিল। ভাৰত-ওমান যুটীয়া পৰিষদ বৈঠক (জে চি এম) অক্টোবৰ 2020ত ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত কৰা হৈছিল দুয়োখন দেশৰ বাণিজ্য মন্ত্ৰালয়ৰ মন্ত্ৰী স্তৰৰ অংশগ্ৰহণৰ সৈতে।

**নতুন দিল্লী**
**ডিচেম্বৰ 15, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.